# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 29-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

***Headlines***

১। মুখ্যমন্ত্ৰীৰ গোলাঘাট বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ।

২। দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি অসম আগমন।

৩। কৰ্ম সংস্কৃতিৰ মানসিকতাই এটা জাতিক ধৰি ৰাখে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

**আৰু**

৪। বিমান দুৰ্ঘটনাত মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন।

oooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জিলাখনৰ ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। তেওঁ প্ৰথমে গোলাঘাটৰ নৱনিৰ্মিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত মুকলি প্ৰেক্ষাগৃহ, ৭ কোটি টকা ব্যয় সাপেক্ষ বালিজান উচ্চতৰ মাধমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰে। মুখ্যমন্ত্ৰীয়ে এই কাৰ্যসূচীতে ১০৪ কোটি টকা ব্যয় সাপেক্ষ গোলাঘাট-মেৰাপানী পথ আৰু ১০৬ কোটি টকা ব্যয় সাপেক্ষ পদুমণি-ৰঙাজান পথো মুকলি কৰিব।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি নিশা দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত কাইলৈ দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই

প্ৰতিষ্ঠানত বন্যপ্ৰাণী, স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব।

শ্ৰীশ্বাহে কাইলৈ বিয়লি ধেমাজীত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগলৈ তেওঁ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

ooooooooo

কৰ্ম সংস্কৃতিৰ মানসিকতাই এটা জাতিক ধৰি ৰাখে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা নিশা গুৱাহাটীৰ নিৰ্মীয়মান উৰণ সেতু, গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী সেতু পৰিদৰ্শন কৰি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতুৰ বিশেষকৈ কাৰীকৰি কাম অসমীয়া যুৱকৰ কৰ্ম শক্তিৰে সম্পন্ন হোৱাটো নিশ্চিতভাৱে ইতিবাচক কথা।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই দলংখন অহা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব। অৱশ্যে উত্তৰ গুৱাহাটীৰ গৌৰীপুৰত ট্ৰাম্পেড নিৰ্মাণৰ কাম চলি থকাৰ ফলত উদ্বোধনৰ পাছত এই দলঙেৰে যাতায়াত কৰা যান-বাহনসমূহ আই আই টি গুৱাহাটীৰ সমীপেৰে যোৱা এটা সৰু পথেৰে ৰাষ্ট্ৰীয় ঘাইপথত উঠিব লাগিব বুলি তেওঁ জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে নুনমাটি-দীঘলীপুখুৰীপাৰ সংযোগী মহাৰাজ পৃথু উৰণ সেতুখনৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি পৰ্যায়ক্ৰমে আৰু যথাসময়ত এই সেতুখন মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ লগতে এই নিৰ্মাণ কাৰ্যই জনসাধাৰণৰ যাতায়াত যাতে ব্যাহত নকৰে সেয়া সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

ভৰলুমুখৰ নিৰ্মীয়মান উৰণ সেতু অহা ২০ৰ পৰা ২২ ফেব্ৰুৱাৰীৰ ভিতৰত আৰু চাইকেল ফেক্টৰীৰ নিৰ্মীয়মান উৰণ সেতুখন বিহুৰ সময়ত মুকলি কৰা হ'ব বুলি ড০ শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে যোৰহাট আৰু ডিফুত নিৰ্মীয়মান উৰণ সেতুকেইখনৰ কামো ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে।

oooooooo

———বিমান দুৰ্ঘটনাত কালি মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি পুণেৰ বাৰামতীত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়। পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়াত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিছ্ আৰু ৰাজ্যিক মন্ত্ৰীসভাৰ অন্যান্য সদস্যসকল উপস্থিত থাকে।

oooooooo

———৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সামৰণি উপলক্ষে নতুন দিল্লীৰ বিজয় চ'কত আজি বীটিং ডি ৰিট্ৰিট-২০২৬ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীসকল উপস্থিত থাকিব। অনুষ্ঠানত স্থল সেনা, নৌ সেনা, বায়ু সেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বেণ্ড প্ৰদৰ্শন কৰা হ'ব। দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰি এইবাৰ বিজয় চ'কত দৰ্শকৰ আসনসমূহ ভাৰতৰ বিভিন্ন বাদ্যযন্ত্ৰৰ নামেৰে নামকৰণ কৰা হৈছে।

oooooooo

-শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত কাইলৈৰ পৰা ১ ফেব্ৰুৱাৰীলৈ আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। অৱশ্যে এইবাৰ প্ৰতিবছৰে মে-ডাম-মে-ফিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন বাতিল কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে ১ ফেব্ৰুৱাৰীত শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব বুলি উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

ধেমাজি জিলাৰ হাবুঙত আজিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা, বাণিজ্য মেলা, ফুটবল, কুইজ আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পৰহিলৈ মে-ডাম-

মে-ফিৰ মুকলি সভাত ইতিহাসবিদ নগেন হাজৰিকা আৰু সাহিত্যিক-সাংবাদিক উমেশ চেতিয়াক ২০২৫-২৬ বৰ্ষৰ হাবুং বঁটা আগবঢ়োৱা হ'ব।

oooooooo

কলিয়াবৰৰ চামধৰা গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত এজন বনকৰ্মীয়ে প্ৰাণ হেৰুৱায়। নিহত বনকৰ্মীজন শিলঘাট বনখণ্ডৰ দিলীপ কোঁৱৰ বুলি চিনাক্ত কৰা হৈছে। পুৱতি নিশা বনৰীয়া হাতী খেদিবলৈ যাওতে এই অঘটন ঘটে। হাতীৰ আক্ৰমণত দিলীপ কোঁৱৰ গুৰুতৰভাৱে আহত হয়। বনকৰ্মীজনক জখলাবন্ধাস্থিত কলিয়াবৰ মহকুমাত অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে।

ooooooo

চিৰাং আৰু কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ চিকনা জোহৌলাও ৰাষ্ট্ৰীয় উদ্যানৰ ৰুণীখাটা বনাঞ্চলী কাৰ্যালয়ৰ অন্তৰ্গত কৰাইবাৰী বনাঞ্চলত কালি এটা গুলীবিদ্ধ বনৰীয়া হাতীৰ মৃতদেহ উদ্ধাৰ হয়। বনৰীয়া হাতীটো গুলীয়াই হত্যা কৰি চোৰাং চিকাৰীৰ দলে হাতীৰ দাত আৰু নখ লৈ যোৱাৰ সন্দেহ কৰা হৈছে। উল্লেখযোগ্য যে ৰুণীখাটা বনাঞ্চলক চিকনা জোহৌলাও ৰাষ্ট্ৰীয় উদ্যানৰ অংশ হিচাপে ঘোষণা কৰাৰ পাছতেই অঞ্চলটোত চোৰাং চিকাৰীয়ে কেইবাটাও বনৰীয়া হাতীক বিহ খোৱাই হত্যা কৰাৰ অভিযোগ উত্থাপ্ত হৈছে আমাৰ চিৰাঙৰ সংবাদদাতাই জনাইছে।

ooooooo

অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ ৰ মুৰব্বী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooooo

**সমাপ্ত**